অধ্যায় ১৩ঃ মোগল যুগৰ সাংস্কৃতিক বিকাশ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ সাহিত্য
১৩.৩.১ সংস্কৃত সাহিত্যৰ বিকাশ
১৩.৩.২ ইছলামীয় সাহিত্য
১৩.৩.৩ আঞ্চলিক ভাষাৰ সাহিত্য
১৩.৩.৪ ধর্মনিৰপেক্ষ সাহিত্য
১৩.৪ স্থাপত্য
১৩.৫ ভাস্কর্য
১৩.৬ চিত্রশিল্পৰ বিকাশ
১৩.৬.১ ৰাজস্থানী শৈলী
১৩.৭ সংগীত
১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৯ অধিক জানিবলৈ
১৩.১০ অগ্রগতি খতিয়ান
১৩.১১ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মোগল শাসনৰ অধীনত সাহিত্যৰ বিকাশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- সেই যুগৰ স্থাপত্য, ভাস্কর্য আৰু চিত্রকলাত মোগলৰ প্রভাৱৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- মোগল শাসক সকলৰ অধীনত বিকশিত হোৱা চিত্র শৈলীৰ সম্পর্কে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি দাক্ষিণাত্যৰ পল্লৱ, ছোলা আৰু চালুক্য সকলৰ অধীনত বিকাশ লাভ কৰা স্থাপত্য কলাৰ বিকাশৰ বিষয়ে আলোচনা কৰিলো।

এই অধ্যায়ত আমি মোগল যুগৰ কলা আৰু সাহিত্যৰ দিশত হোৱা বিকাশৰ বিষয়ে আলোচনা কৰিম। এই অধ্যায়ত সংস্কৃত, ধর্মনিৰপেক্ষ, আঞ্চলিক ভাষাৰ সাহিত্য আৰু ইছলামীয়

সাহিত্যৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। অধ্যায়টিত স্থাপত্য আৰু ভাস্কর্যৰ সৈতে চিত্রকলাৰ প্রগতিৰ ক্ষেত্রত হোৱা বিকাশক আৱিষ্কাৰ কৰিবলৈ চেষ্টা কৰা হ'ব।

১৩.৩ সাহিত্য

১৩.৩.১ সংস্কৃত সাহিত্যৰ বিকাশ

মোগল যুগত পৃষ্ঠপোষকতাৰ অভাৱৰ সংস্কৃত সাহিত্যই উন্নতি লাভ কৰিব পৰা নাছিল। যি কি নহওঁক ইয়াক অস্বীকাৰ কৰিব নোৱাৰি যে মোগল সম্রাট সকল প্রধানকৈ আকবৰ, জাহাংগীৰ আৰু ছাহজাহানে সংস্কৃত পণ্ডিতক পৃষ্ঠপোষকতা আগবঢ়াইছিল। কিন্তু মোগল যুগত সংস্কৃত সাহিত্যৰ প্রগতিৰ বাবে প্রয়োজনীয় শান্তি আৰু নিৰাপদ বাতাবৰণৰ অভাৱ ঘটিছিল। সংস্কৃত সাহিত্যৰ বুৰঞ্জীত বংগৰ জয়দেৱ শেষ নাম আছিল। তেওঁৰ দ্বাৰা ৰচিত গ্রন্থ আছিল গীতা-গোবিন্দ।

দক্ষিণ ভাৰতত সংস্কৃত ভাষাত মহাকাব্য, কাব্য, শ্লেষ কাব্য (বক্রোক্তি কবিতা), ঐতিহাসিক কাব্য, চম্পু কাব্য, গীতি কবিতা আৰু সৰু কবিতা ৰচনা কৰা হৈছিল। মহাকাব্য সাহিত্যত তাঞ্জোৰৰ ৰঘূনাথ নায়ক আৰু তেওঁৰ ৰাজসভাৰ কবিসকলে গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছিল। ৰঘূনাথৰ ৰাজসভাৰ এগৰাকী কবি মধুৰনী এগৰাকী প্রতিভাশালী মহিলা আছিল আৰু সংস্কৃত সাহিত্য ৰচনা কৰিছিল।

শ্রীনিবাস দিক্ষিতে ১৮ খন নাটক আৰু ৬০ খন কাব্য লিখিছিল। তেওঁৰ পুত্র নীলকান্ত দিক্ষিত এজন মহান শৈৱ পণ্ডিত আছিল। তেওঁৰ শিৱলীলার্ণৱ ২২ টা কাণ্ডৰ এখন মহাকাব্য আছিল। তেওঁৰ যুগাৱতাৰণ ভগীৰথ আৰু গংগাৰ পৃথিৱীলৈ অৱৰোহণৰ এক কাহিনী আছিল।

তৃতীয় দিণ্ডিমা ৰাজনাথৰ 'অচ্যুতৰায়ভ্যুদয়' অচ্যুতৰ দক্ষিণাত্য অভিযানৰ বিষয়ে এখনেই গুৰুত্বপূর্ণ ঐতিহাসিক কাব্য।

তিৰুমালম্ব এগৰাকী বিচক্ষণ নাৰী আছিল যি "ৱৰদম্বিকা পৰিণয়ম" সৃষ্টি কৰিছিল। কৃষ্ণ দেৱ ৰায়ৰ কুলগুৰু ব্যাসৰাজে স্তুতিগীত, ধাৰাভাষ্য ইত্যাদি ৰচনা কৰিছিল।

জয়দেৱৰ 'গীতগোবিন্দ' আৰ্হি আছিল যাৰ ওপৰত সেই সময়ত বহুতো গীতি-কবিতা আৰু চুটি কবিতা ৰচনা কৰা হৈছিল। এই সময়চোৱাত অলংকাৰ, সাংগীতিক কর্মৰাজি, দার্শনিক কর্মৰাজি আৰু সাহিত্য সংস্কৃত ভাষাত ৰচনা কৰা হৈছিল।

১৩.৩.২ ইছলামীয় সাহিত্যৰ বিকাশ

পার্চীয়ান সাহিত্য ঃ চুলতানী আমোলৰ প্রথমচোৱাত নিচেই কমসংখ্যক সাহিত্যিক গুণবিশিষ্ট পার্চিয়ান কর্মৰাজিৰ সৃষ্টি হৈছিল। বেছিভাগ পণ্ডিতেই ধর্মীয় বিষয়ৰ ওপৰত

চর্চা কৰিছিল , যেনে - পৰম্পৰা, আইনৰ বিধি শাস্ত্র আৰু কোৰাণৰ ওপৰত ধাৰাভাষ্য। এই কর্মৰাজিৰ মৌলিকতাৰ অভাৱ আছিল।

মোগল শাসনক ইণ্ডো-পার্চিয়ান সাহিত্যৰ এক নতুন যুগ হিচাপে অভিহিত কৰিব পাৰি। পার্চিয়াৰ পৰা ভাৰতলৈ বহুতো বিখ্যাত কবি আৰু পণ্ডিতৰ যেনে ইচফাহান, গিলান আৰু নিশাপুৰ প্রব্রজন ঘটিছিল, য'ত তেওঁলোকে বেছি প্রশংসা আৰু পৃষ্ঠপোষকতা পাইছিল, সাহিত্যৰ ক্ষেত্রত এক নতুন মাত্রা প্রদান কৰিছিল। তেওঁলোকৰ ভিতৰত প্রখ্যাত আছিল উর্ফী, নাজিৰি, তালিব আৰু কালিম। মোগল সম্রাট সকলৰ উপৰি বহুতো অভিজাত আৰু উচ্চ পদস্থ বিষয়া সকল যেনে আবুল ফতেহ গিলানী, আব্দুৰ ৰহিম, খান-ই-খানান, আলি কুলী খান আৰু খান-ই-জামান কবি আৰু পণ্ডিত সকলক উদাৰভাৱে পৃষ্ঠপোষকতা কৰাৰ বাবে বিখ্যাত। সেয়েহে এইটো স্বাভাৱিক আছিল যে এই আনন্দদায়ক পৰিৱেশত পার্চী সাহিত্যৰ সেই সময়ত আপেক্ষিক অৱস্থান ভাৰতত পার্চিয়ানতকৈ উচ্চ আছিল। শতাধিক পণ্ডিতৰ মাজত এজন পৃথক সাহিত্যিক ব্যক্তিক কৃতি-কবি হিচাপে নির্বাচন কৰা হৈছিল। গজল, ৰুবেইচ, মচনভিচ, কোবাদিচ আদি কবিতাৰ জনপ্রিয় ভাগ আছিল। আকবৰৰ ৰাজসভাত উন্নতি লাভ কৰা ফৈজী এজন জাকত জিলিকা পার্চিয়ান কবি আছিল। তেওঁক কৃতি কবিৰ উপাধি প্রদান কৰা হৈছিল। বাবৰৰ পৰা ছাহজাহানলৈ সকলো মোগল সম্রাটেই কবি সকলক পৃষ্ঠপোষকতা কৰাৰ উপৰি তেওঁলোকে নিজেও কবিতা ৰচনা কৰিছিল। আনকি কিছুমান মোগল ৰাজকুমাৰী যেনে জেবুন্নিচা আৰু জাহানাৰা বিশেষ প্রতিভাৰ অধিকাৰি কবি আছিল। কবিতা, ইতিহাস, আত্মজীৱনী, কোৰাণৰ ওপৰত ধাৰাভাষ্য আৰু অন্যান্য ধর্মীয় সাহিত্য অধ্যয়নৰ প্রধান বিষয়বস্তু আছিল।

হিন্দী

চুলতানী যুগত হিন্দী সম্পূর্ণ ৰূপত বিকাশ হোৱা নাছিল কিন্তু ই বিশেষকৈ মধ্য ভাৰতত ৰূপ লাভ কৰিছিল। ভক্তি আন্দোলনৰ ভ্রমণকাৰী সন্তসকলে সহজ হিন্দীভাষাত ভগৱানৰ প্রশংসা বাণী বিলাইছিল। পৃথ্বিৰাজ চৌহান, আলহা, উদাল আৰু বিশাল দেউৰাওৰ কৃতিত্বৰ বিষয়ে উল্লেখিত বিখ্যাত ৰাজপুত নায়কোচিত কাহিনী সমূহ সেই সময়ত ৰচনা কৰা হৈছিল। আমিৰ খুচৰুৱে তেওঁৰ সাঁথৰ সমূহত এই ভাষা ব্যৱহাৰ কৰিছিল। খুচৰুৰ সমসাময়িক গোপাল নায়কে ব্রজভাষাত গান ৰচিছিল। মোগল সকল ভাৰতলৈ অহাৰ লগে লগে হিন্দী ভাষাৰ শিপা জীপাল হৈছিল। মালিক মহম্মদ জয়চী হুমায়ুন আৰু ছেৰশ্বাহৰ সমসাময়িক আছিল। তেওঁ পদ্মাৱতত পদ্মিনীৰ (মেৱাৰৰ ৰাণী) কাহিনী কাব্যত ৰচনা কৰিছিল। আকবৰৰ শাসনকাল হিন্দী সাহিত্যৰ সোণালী যুগ হিচাপে পৰিগণিত হৈছে। তুলসীদাস হিন্দী কবি সকলৰ ভিতৰত আটাইতকৈ মহান আছিল। তেওঁৰ ৰামচৰিত মানসক পণ্ডিতসকলে শ্রেষ্ঠ নিদর্শন হিচাপে আখ্যা

দিছে। সুৰদাসে সুৰ সাগৰ ৰচনা কৰিছিল য'ত ভগৱান শ্রীকৃষ্ণৰ জীৱন আৰু কৃতিত্বৰ বিষয়ে আলোচনা কৰিছে। আব্দুৰ ৰহিম খান-ই-খানম এজন বহুমুখী প্রতিভা সম্পন্ন মণিষী আছিল। পাচী, আৰৱী আৰু তুৰ্কীৰ উপৰি সংস্কৃত আৰু হিন্দীত তেওঁৰ ভাল দখল আছিল। ৰাস খান এজন বিখ্যাত কবি আছিল আৰু তেওঁৰ কবিতা 'বাতিকা'ক সমালোচক সকলে এক উৎকৃষ্ট কৰ্মৰাজি হিচাপে গণ্য কৰিছে।

জাহাংগীৰে হিন্দী পণ্ডিতসকলৰ পৃষ্ঠপোষকতা আগবঢ়াইছিল। তেওঁৰ সময়ৰ বিখ্যাত লেখক সকল আছিল জদ্রুপ গোঁসাই, ৰাজ মনোহৰ লাল আৰু বিসন দাস। ছাহজাহানে তেওঁৰ দেউতাক আৰু ককাকৰ পৰম্পৰা অনুসৰণ কৰিছিল। সুন্দৰ কবিৰায়, চিন্তামণি আৰু কবিন্দ্র আচার্য কেইজনমান গুৰুত্বপূর্ণ কবি আছিল যি ছাহজাহানৰ ৰাজসভা শুৱনি কৰিছিল। বিখ্যাত কবি বিহাৰীক মির্জা ৰাজা জয় সিঙে পৃষ্ঠপোষকতা আগবঢ়াইছিল। ঔৰংজেৱৰ ৰাজত্বকালত হিন্দী কবিতা বিপর্যস্ত হৈছিল। হিন্দী কবি আৰু পণ্ডিসকলে যি কি নহওক স্থানীয় ৰজাসকলৰ ৰাজসভাত উন্নতি লাভ কৰিছিল, যিসকলে তেওঁলোকৰ পৃষ্ঠপোষকতা কৰিছিল।

উর্দু

সাংস্কৃতিক আৰু ভাষিক সংমিশ্রণে এক নতুন ভাষা ৰেখটা অথবা উর্দু (তুৰ্কী শব্দ উদ্ যাৰ অর্থ তম্বু) জন্ম দিছিল। ঘোৰী শাসনৰ সময়ত পাচী আৰু পাঞ্জাৰী শব্দ তেওঁৰ ভাষাৰ লগত মিলিত হৈ ৰেখটাৰ সৃষ্টি হৈছিল। পাছত আমিৰ খুচৰুৱে এই ভাষাক হিন্দভী আৰু আবুল ফজলে দেহলভী নাম দিছিল। পৃথ্বিৰাজ চৌহানৰ ৰাজসভাৰ কবি চান্দ বৰদাইৰ পৃথ্বিৰাজ ৰচ' সম্ভৱত হিন্দী ভাষাৰ প্রথম সৃষ্টি আছিল যি স্পষ্টকৈ ইয়াৰ বিকাশৰ আভাস দিয়ে। আমিৰ খুচৰু আৰু ৰাস খান (Ras Khan) ৰ এই ভাষাৰ কর্মৰাজি বাবে অতি গুৰুত্বপূর্ণ। কবীৰ, দাদু, নানক, নামদেৱ আৰু অন্যান্য ধর্ম সংস্কাৰক সকলে যি পদ্য সমূহত এই ভাষাক প্রকাশভংগীৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল, ইয়াৰ বিকাশত যথেষ্ট পৰিমাণে সহায় কৰিছিল। মোগল শাসনৰ শেষৰ সময়চোৱাত উর্দু ভাষাৰ উত্থান দেখা যায় আৰু সঁচাকৈয়ে উর্দু গদ্য আৰু কবিতাৰ ধ্রুপদী যুগ। দক্ষিণ আৰু উত্তৰ ভাৰতৰ আঞ্চলিক ৰাজসভাবোৰটো উর্দু ভাষাৰ পৃষ্ঠপোষকতা কৰা হৈছিল। ধ্রুপদী উর্দু কবিতাৰ দীঘলীয়া শাৰীৰ মাজত প্রধান আছিল মীৰ টাকি মীৰ, মাজহাৰ জান-ই-জানন, চৌদা, আটিছ, মীৰ দর্দ, ৰুছৱা, ঘালিব আৰু মমিন।

১৩.৩.৩ আঞ্চলিক ভাষাৰ সাহিত্য

আঞ্চলিক সাহিত্য ঃ আঞ্চলিক ভাষাৰ সাহিত্যৰ বিকাশ আৰু সৃষ্টিত মোগল শাসনৰ সময়চোৱা এক গুৰুত্বপূর্ণ সময় আছিল। ভক্তি আন্দোলনৰ ব্যাপকতাৰ বাবে

এইটো হৈ উঠিছিল। ধর্মীয় সন্ত আৰু সংস্কাৰক সকলে স্বাভাৱিকতে স্থানীয় ভাষাত কৈছিল আৰু লিখিছিল। ইয়াৰ পৰিণতি স্বৰূপে মাৰাঠী, বেংগলী, গুজৰাটী, কাশ্মিৰী, তেলেগু আদি আঞ্চলিক ভাষাৰ বিকাশ হৈছিল।

প্রধানকৈ দশপন্ত, মুক্তেশ্বৰ বমন পণ্ডিত, মাৰপন্ত আদি পণ্ডিতৰ অৱদানৰ কাৰণে মোগল যুগত মাৰাঠী সাহিত্য চহকী হৈ পৰিছিল। শ্রীধৰ স্বামীয়ে হৰিবিজয়, ৰামবিজয়, পাণ্ডৱপ্রতাপ, শিৱলীলামিত্র ইত্যাদি ৰচনা কৰিছিল। তেওঁৰ সৃষ্টিৰাজি প্রধানকৈ পুৰাণ আৰু ৰামায়ণৰ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি ৰচিত। ৰঘূনাথ পণ্ডিতে নলদময়ন্তি সয়ম্বৰৰ আখ্যান লিখিছিল। যদিও তেওঁৰ লেখন সংস্কৃত সাহিত্যৰ দ্বাৰা প্রভাৱিত আছিল, ই মাৰাঠী সাহিত্যৰ বিকাশত অৰিহণা যোগাইছিল।

মোগল যুগৰ বিভিন্ন সাধু আৰু কবিয়ে গুজৰাটী সাহিত্যিকো যথেষ্ট চহকী কৰি থৈ গৈছে। অক্ষ ভগত বা অক্ষ ৰাজিয়া দাস ছোনি, গুজৰাটী কবি আছিল। তেওঁ ভক্তি আন্দোলনৰ পৰম্পৰাত লিখিছিল। তেওঁৰ কবিতাৰ সাহিত্যিক ৰূপক 'চ্ছগা' বুলি জনা গৈছিল। অক্ষ গীতা, চিত্ত-বিচাৰ-সম্ভৱ, অনুভৱ, বিন্দু আদি তেওঁৰ গুৰুত্বপূর্ণ কর্মৰাজিৰ অন্তর্গত। আন এজন অতি উত্তম পণ্ডিত আছিল পৰমানন্দ যি ৩৬ খন গ্রন্থৰ লেখক হিচাপে সন্মানিত। শ্যামল ভট্ট, পুৰাণৰ আখ্যান সমূহৰ বিশেষজ্ঞ, তেওঁ গদ্য আৰু পদ্য দুয়োটাই ৰচনা কৰিছিল।

অসমত আহোমৰ প্রাসাদত টাই ভাষাত বুৰঞ্জী ৰচনা কৰা হৈছিল। পিছৰ ফালে যেতিয়া আহোম ৰজাসকলে অসমীয়াক ৰাজ ভাষা হিচাপে গ্রহণ কৰা হৈছিল, তেতিয়াৰ পৰা ঐতিহাসিক বুৰঞ্জীসমূহ অসমীয়াত লিখা আৰম্ভ হৈছিল। এই উপাখ্যান ধর্মীয় সাহিত্যৰ চৰিত পুথিৰ বিকাশৰ বাবেও বিখ্যাত। এই চৰিত পুথি হ'ল নৰ-বৈষ্ণৱ সন্তৰ জীৱনী।

শুকুমাৰ বৰকাঠাৰ হস্তীবিদ্যাৰ নামা এখন জনাজাত চিত্রিত পাণ্ডুলিপি। শিৱ সিংহৰ (১৭১৩-১৭৪৪ খ্রীষ্টাব্দ) আৰু তেওঁ ৰাণী ফুলেশ্বৰীৰ পৃষ্ঠপোষকতাত ৰচিত এই পাণ্ডুলিপি, ৰাজ হাতীশালত থকা হাতীৰ পৰিচালনা আৰু যত্নৰ বিষয়ে সূচায়। অসমীয়া গদ্য সাহিত্যৰ পিতৃ ভট্টদেৱ (বৈকুণ্ঠ ভাগৱত ভট্টাচার্য) বৈষ্ণৱ ধর্মৰ ওপৰত তিনিখন গ্রন্থ লিখিছিল—কথা গীতা, কথা ভাগৱত আৰু কথা ৰত্নাৱলী। ভট্টদেৱৰ গদ্যৰ প্রভাৱৰ দ্বাৰা এক উচ্চ আৰু গৌৰৱময় প্রণালীৰ বিকাশত অৰিহণা যোগাইছিল। শংকৰদেৱৰ সংস্কৃত লেখনি ভক্তিৰত্নাকৰ অসমীয়ালৈ অনুবাদ কৰিছিল গোপাল চৰণ দ্বিজে আৰু এই কর্মৰ নাম আছিল 'ভক্তি ৰত্নাকৰ-কথা'।

ভট্টদেৱ আৰু গোপাল চৰণ দ্বিজৰ কর্মক ষোড়শ শতিকাৰ ভাৰতীয় ভাষাৰ প্রাৰম্ভিক সময়ৰ গদ্যৰ উদাহৰণ আছিল। ভট্টদেৱৰ সংস্কৃত ব্যাকৰণ আৰু সাহিত্যৰ ওপৰত পাণ্ডিত্যৰ বাবে তেওঁক ভগৱত ভট্টাচার্য বুলি সন্মানিত কৰা হৈছিল।

মোগল যুগল বেংগলী সাহিত্যইও প্রগতি লাভ কৰিছিল। কৃষ্ণদাস, কবিৰাজ,

বৃন্দাবন দাস, জয়নন্দ ত্রিলোচন দাস, আৰু চক্রৱর্তীৰ দৰে পণ্ডিতে চৈতন্যৰ কিছুমান জীৱনী সৃষ্টি কৰিছিল। চান্দী দেৱী আৰু মনসা দেৱী প্রশংসাৰে ভালেসংখ্যক কিতাপ ৰচনা কৰা হৈছিল।

কাশ্মীৰী ভাষাৰ ৰচনাসমূহৰ সূত্রপাত ৰহস্যবাদী কবি লাল্লেশ্বৰী বা লাল ডেড (১৪ শতিকা)ৰ লিখনীসমূহৰ দ্বাৰা ঘটিছিল, যিয়ে 'ৱাক্স' (Vakh) বা চাৰি শাৰীযুক্ত ৰহস্যবাদী পদ্য ৰচনা কৰিছিল। তেওঁৰ সমসাময়িক আৰু কাশ্মীৰত সমানেই সন্মানপ্রাপ্ত জনপ্রিয় কবি আছিল পুন্দ ৰেশী যিয়ে উচ্চমানৰ কাব্য ৰচনা কৰিছিল। মোগল শাসনৰ সময়ছোৱাৰ বিখ্যাত কবি আৰু লেখক আছিল হাৰবা খাটুন (১৬শ শতিকা), ৰূপা ভৱানী (১৬২১-১৭২১ খ্রী.), আৰ্নিমল (১৮০০ খ্রী.), মাহমুদ গামী (১৭৫৩-১৮৫৫ খ্রী.) আৰু অন্যান্য যিসকলে মোগল সময়ছোৱাত কাশ্মীৰী সাহিত্যৰ বিকাশত অৰিহণা যোগাইছিল।

এই সময়ছোৱাত তেলুগু সাহিত্যৰ বিকাশ দেখিবলৈ পোৱা গৈছিল। চুলতানী শাসনকালৰ পৰা তেলুগু সাহিত্যত পাৰস্যৰ প্রভাৱ দেখা গৈছিল। মোগল সাম্রাজ্যৰ সম্প্রসাৰণ (বর্তমান তেলেঙ্গনা) হোৱাত এই প্রভাৱ অনিবার্য হৈছিল।

১৩.৩.৪ ধর্মনিৰপেক্ষ সাহিত্য

ধর্মনিৰপেক্ষ সাহিত্যৰ পাৰ্চী আৰু আৰৱী ভাষাত উন্নতি সাধন হৈছিল। মোগল শাসনত কবিতা আৰু গদ্য দুয়োটাৰে উদাৰভাৱে পৃষ্ঠপোষকতা আগবঢ়োৱা হৈছিল। তুজুক-ই-বাবৰী (বাবৰৰ সোঁৱৰণী), তুজুক-ই-জাহাংগীৰী (জাহাংগীৰৰ সোঁৱৰণী), মাচিৰ-ই-আলম-গিৰি আৰু শুলবদন বেগমৰ ঐতিহাসিক ঘটনাৱলীৰ কালানুক্রমিক বিৱৰণ ৰাজ পৰিয়ালৰ পৰা গুৰুত্বপূর্ণ সাহিত্যিক অৱদান আছিল। উর্ফী, নাজিব, তালিব আৰু কালিম আদি যথেষ্ট সংখ্যক বিখ্যাত কবি ভাৰত-পাক উপমহাদেশলৈ স্থায়ীভাৱে প্রব্রজন কৰিছিল। ঔৰংজেৱৰ শাসন কালৰ আটাইতকৈ জনপ্রিয় কবি বেদিলৰ পাৰ্চী কবিতাত অসাধাৰণ চহকী কল্পনা, চিন্তাৰ গভীৰতা আৰু ধাৰণাৰ বুদ্ধিমত্তা দেখা গৈছিল। আবুল ফজলে তেওঁৰ লিখনীৰ যোগেদি ৰজাৰ মোগলৰ তত্ব বর্ণনা কৰিবলৈ প্রয়াস কৰিছিল। তেওঁৰ আকবৰনামাক 'ভাৰতৰ আটাইতকৈ গুৰুত্বপূর্ণ ঐতিহাসিক সৃষ্টি' হিচাপে গণ্য কৰা হয়।

১৩.৪ স্থাপত্য

ভাৰতৰ সংস্কৃতিলৈ স্থাপত্যৰ ক্ষেত্রত মোগল সকলে তেওঁলোকৰ আটাইতকৈ মনত সাঁচ বহুওৱা অৱদান আগবঢ়াই থৈ গৈছে। তেওঁলোক সৃজনশীল নির্মাতা আছিল আৰু তেওঁলোকৰ নির্মাণকার্য শ্রেষ্ঠ নিদর্শন আছিল। বাবৰে কনষ্টাণ্টিনোপলৰ পৰা কাৰিকৰ আমদানি কৰিছিল।

তেওঁৰ জীৱন সোঁৱৰণীত উল্লেখ কৰিছে যে নির্মাণ কার্যত তেওঁ ভাৰতীয় শিল-কটা মানুহৰ সেৱা কামত লগাইছিল। তেওঁ নির্মাণ কৰা দুই অৱশিষ্ট গাঁঠনিৰ ভিতৰত এটা হৈছে পানিপথৰ কাবুলীবাগত থকা বৃহৎ মছজিদ আৰু আনটো হৈছে চমভালৰ জামি মছজিদ। হুমায়ুনৰ সমস্যাজর্জৰ শাসনত তেওঁ তেনেই কম সুযোগ লাভ কৰিছিল। তেওঁৰ সময়ৰ কেৱল এটা মছজিদ পঞ্জাৱৰ ফতেহাবাদত এতিয়াও মজুত আছে। ইয়াক পার্চিয়ান শৈলীত কলাই কৰা (enamelled) টাইলেৰে (Tiles) সুশোভিত কৰা হৈছিল। চেৰশ্বাহ এজন মহান নির্মাতা আছিল আৰু তেওঁ বেছি বিশুদ্ধ আৰু মর্যাদাপূর্ণ শৈলী আৰম্ভ কৰিছিল। তেওঁৰ দিনৰ দুটা উল্লেখনীয় নির্মাণকার্য হৈছে দিল্লীৰ ওচৰৰ পুৰণা কিল্লাত থকা মছজিদ আৰু বিহাৰৰ চাচাৰামৰ তেওঁৰ নিজৰ কবৰ। মছজিদটোৱে পার্চিয়াৰ প্রভাৱ প্রতিফলিত কৰে আৰু পৰিশোধিত সোৱাদ দিয়ে।

চেৰশ্বাহে আৰম্ভ কৰা নতুন শৈলী আকবৰৈ যথেষ্ট বিকশিত কৰিছিল। আকবৰৰ সময়ৰ বেছিভাগ অট্টালিকা ৰঙা বালি শিলেৰে নির্মাণ কৰা হৈছিল। তেওঁৰ প্রাৰম্ভিক নির্মাণ কার্য সমূহৰ এটা হৈছে দিল্লীত থকা হুমায়ুনৰ সমাধি, যি পার্টি আৰু ভাৰতীয় কলাৰ পৰম্পৰাৰ মিশ্রণ প্রকাশ কৰে। ইয়াত মার্বলৰ মুক্ত ব্যৱহাৰ আৰু পার্চিসকলে সঘনাই ব্যৱহাৰ কৰা ৰঙীণ টাইলৰ অনুপস্থিতিয়ে ভাৰতীয় বৈশিষ্ট্য স্পষ্ট কৰে। আকবৰে তেওঁৰ ৰাজধানী আগ্রাক বহুতো মনোমোহা অট্টালিকাৰ যেনে দিৱান-ই- আম, দিৱান-ই- খাচ আৰু জাহাংগীৰ মহল নামেৰে জনাজাত ৰাজপ্রাসাদত ভাৰতীয় বৈশিষ্ট্য স্পষ্ট ৰূপত দেখা যায়। ৰাজপ্রাসাদটোত হিন্দু শৈলীৰ চকুত পৰা বৈশিষ্ট্য দেখা যায়। তেওঁৰ আটাইতকৈ গুৰুত্বপূর্ণ অট্টালিকাবোৰ ফতেহপুৰ চিক্রিত পোৱা যায়। ফতেহপুৰ চিক্রিৰ আটাইতকৈ মনত সাঁচ বহুওৱা অট্টালিকা হৈছে চেইখ চেলিম চিষ্টিৰ সমাধি আৰু বুলন্দ দৰৱাজা।

এই সমাধিটো ভাৰতৰ আটাইতকৈ মনোমোহা পবিত্র স্থানসমূহৰ ভিতৰত এটা। বুলন্দ দৰৱাজা এক প্রকাণ্ড বাটচ'ৰা, ১৭৬ ফুট ওখ, আৰু আকবৰৰ গুজৰাট জয়ৰ স্মৃতিত নির্মাণ কৰা হৈছিল। ই হৈছে এক বিস্ময়কৰ স্থাপত্য শৈলী। ফতেহপুৰ চিক্রিৰ যোধা বাঈৰ ৰাজপ্রাসাদটো এটা মনোমোহা অট্টালিকা। আকবৰে হিন্দু শিল্পীসকলক হিন্দু আৰু জৈন মন্দিৰৰ বৈশিষ্ট্যৰে সুশোভিত আর্হি ব্যৱহাৰ কৰিবলৈ অনুমতি দিছিল। চিকন্দৰৰ আকবৰৰ সুশোভিত কীর্তিচিহ্ন ভাৰতৰ বৌদ্ধ বিহাৰৰ আর্হিত নির্মিত এক অতুলনীয় ইয়াক আকবৰে পৰিকল্পনা কৰিছিল কিন্তু জাহাংগীৰে সম্পূর্ণ কৰিছিল।

জাহাংগীৰৰ এটা সুন্দৰ কলাসুলভ অনুভূতি আছিল কিন্তু তেওঁৰ স্থাপত্যতকৈ চিত্রকলাৰ প্রতি বেছি ধাউতি আছিল। তেওঁৰ ৰাজত্বৰ দুটা গুৰুত্বপূর্ণ অট্টালিকা হৈছে চিকন্দৰত থকা আকবৰৰ সমাধি আৰু ইতমাদ-উদ-দৌলাৰ সমাধি। ইতমাদ-উদ-দৌলাৰ সমাধি নুৰজাহানে তেওঁৰ দেউতাকৰ সমাধিত নির্মাণ কৰিছিল। ইয়াক বগা মার্বল পাথৰেৰে নির্মাণ কৰা হৈছিল আৰু ই আছিল এক বিভিন্ন ৰঙৰ কম মূল্যবান পাথৰ খটাই সুশোভিত কৰা প্রথম অট্টালিকা। আগ্রাৰ ইতমাত-উদ-দৌলাৰ সমাধি বিৰল সৌন্দর্য আৰু গাম্ভীর্যৰ অধিকাৰী আৰু ই আকবৰৰ দিনৰ বালিশিলৰ অট্টালিকাৰ পৰা ছাহজাহানৰ বগা মার্বলৰ নির্মাণ সমূহলৈ পৰিৱর্তনৰ চিন।

ছাহজাহান মোগল সম্ৰাট সকলৰ ভিতৰত আটাইতকৈ সৃজনশীল আৰু মনোমোহা নিৰ্মাতা আছিল আৰু তেওঁৰ ৰাজত্বকালত ভাৰতৰ অট্টালিকা নিৰ্মাণৰ কলা উৎকৰ্ষৰ শীৰ্ষবিন্দুত উপনীত হৈছিল। তেওঁৰ অট্টালিকা সমূহত আমি আকৱৰৰ নিৰ্মাণ সমূহৰ আৰ্হিৰ সন্তুলন আৰু কৌশলপূৰ্ণ সুশোভিত কাৰ্য অতুলনীয়। দিল্লীৰ তেওঁৰ অট্টালিকাবোৰৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে দিৱান-ই-আম, দিৱান-ই-খাচ আৰু জাম-ই-মছজিদ। প্ৰথম দুটা আলংকাৰিক বৈশিষ্ট্যৰ বাবে স্মৰণীয় দিৱান-ই-খাচ মাৰ্বল আৰু মূল্যবান শিলেৰে সজোৱা আৰু আৰ্হিৰ সুন্দৰতাৰে অতুলনীয়। আগ্ৰাৰ মতি মছজিদ ইয়াৰ শুদ্ধতা আৰু সৌন্দৰ্যৰ বাবে উল্লেখযোগ্য। কিন্তু মোগল শিল্পকলাৰ আটাইতকৈ সুন্দৰ ফুলপাহ হৈছে বিখ্যাত তাজমহল, ছাহজাহানে তেওঁৰ মৰমৰ পত্নী মমতাজ মহলৰ সমাধিত নিৰ্মাণ কৰা এক মহান সুশোভিত কীৰ্তিচিহ্ন। অট্টালিকাটোৰ চিত্তাকৰ্ষক সন্মোহিনীক ইয়াৰ সৰলতাই উচ্চ স্থানত উপবিষ্ট কৰিছে। ইয়াৰ প্ৰধান স্থাপত্যবিদ আছিল ওস্তাদ ইছা যি ইয়াৰ পৰিকল্পনা কৰিছিল।

ছাহজাহানৰ মৃত্যুৰ লগে লগে মোগল সকলৰ কলাৰ সকলো অভিব্যক্তিৰ পতন ঘটে। তেওঁৰ পুত্ৰ, ঔৰংজেৱে স্থাপত্যৰ নগণ্য যত্ন লৈছিল। ৰাজকীয় পৃষ্ঠপোষকতাৰ অভাৱত স্থাপত্য শৈলীৰ পতন ঘটে আৰু ঔৰংজেৱৰ ৰাজত্বকালত নিৰ্মাণ কৰা কম সংখ্যক অট্টালিকাবোৰ যেনে বাদশ্বাহী মছজিদ পুৰণা আৰ্হিৰ বিবৰ্ণ অনুকৰণ আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ আদাব-আল-হাৰ্ব ৰাল-চজাৰ ৰচকৰ নাম লিখক।

_____

প্ৰশ্ন ২ ঃ ওস্তাদ ইছা কোন আছিল?

_____

প্ৰশ্ন ৩ ঃ চেৰশ্বাহৰ সুশোভিত কীৰ্তিচিহ্ন ক'ত অৱস্থিত?

_____

প্ৰশ্ন ৪ ঃ মধুৰাবনী কোন আছিল?

_____

১৩.৫ ভাস্কৰ্য

মুছলীম সকলৰ আগমণে ভাৰতৰ ভাস্কৰ্যৰ বিপৰ্যয় ঘটাইছিল যি পূৰ্বৰ শতিকা সমূহত বৃহৎ উন্নতি লাভ কৰিছিল। ইয়াৰ কাৰণ আছিল যে মুছলীম আইনৰ মতে জীৱন্ত মানুহৰ অৱয়ব নিৰ্মাণ কৰাটো পাপ আৰু ভগৱানৰ মূৰ্ত্তি নিৰ্মাণ কৰাটো তাতকৈ বেছি পাপ কৰ্ম। সেয়েহে মুছলীম আক্ৰমণকাৰীসকলে বৰ্তি থকা ভাস্কৰ্যসমূহৰ বৃহৎ মাত্ৰাত ধ্বংসকাৰ্য চলোৱাত প্ৰবৃত্ত হৈছিল। কেৱল আকবৰেহে ভাস্কৰ্য কলাক উৎসাহিত কৰিছিল। দুই সাহসী ৰাজপুত্ৰ সেনা জয়মল

আৰু ফত্তাৰ সাহসত প্ৰভাৱিত হৈ তেওঁ মূৰ্ত্তি নিৰ্মাণ প্ৰস্তুতি চলাবলৈ নিৰ্দেশ দিছিল। একেদৰে জাহাংগীৰেও উদয়পুৰৰ ৰাণা অমৰ সিং আৰু তেওঁৰ পুত্ৰ কৰণ সিঙক মূৰ্ত্তি নিৰ্মাণ কৰিবলৈ নিৰ্দেশ দিছিল।

ছাহজাহানৰ ৰাজত্বকালত ভাস্কৰ্য কলাই পুনৰ এবাৰ বিপৰ্যয়ৰ সন্মুখীন হৈছিল। তেওঁৰ উত্তৰাধিকাৰীয়ে বৃহৎ মাত্ৰাত বৰ্তি থকা মূৰ্ত্তিৰ ধ্বংসকাৰ্যত লিপ্ত হৈছিল। চমুকৈ, মোগল শাসকসকলে শিল্পীসকলক জাকত জিলিকা হাতী দাঁতৰ ভাস্কৰ্য সাজিবলৈ উৎসাহিত কৰিছিল। আগ্ৰা, ফতেহপুৰ চিক্ৰি আৰু জয়পুৰে হাতী দাঁতৰ উদ্যোগৰ বিখ্যাত কেন্দ্ৰ হিচাপে উন্নিত কৰিছিল।

১৩.৬ চিত্ৰশিল্পৰ বিকাশ

বাবৰৰ চিত্ৰৰ প্ৰতি গভীৰ ভালপোৱা আছিল। তেওঁ যথেষ্ট সংখ্যক চিত্ৰ তেওঁৰ পূৰ্বপুৰুষ সকলৰ পুথিভঁৰালৰ পৰা ভাৰতলৈ আনিছিল। এই চিত্ৰসমূহে ভাৰতীয় চিত্ৰকৰসকলক গভীৰ অনুপ্ৰেৰণা যোগাইছিল। হুমায়ুণে দুই পাচী চিত্ৰকৰ মীৰ চৈয়দ আলি আৰু খাজা আব্দুচ সামাদক ভাৰতলৈ আনিছিল। আকবৰে ইয়াক দৃঢ় প্ৰতিষ্ঠা কৰিছিল। তেওঁ হিন্দু আৰু মুছলীম উভয় ধৰ্মী চিত্ৰকৰক পৃষ্ঠপোষকতা আগবঢ়াইছিল। আকবৰৰ চিত্ৰসমূহে জীৱনৰ সকলো বিষয়কে সামৰি লৈছিল। আকবৰৰ সময়চোৱাই অজন্তাৰ আৰ্হিত কেঁচা প্লাষ্টাৰত অংকিত চিত্ৰৰ বিকাশৰ সাক্ষী বহন কৰে। ফতেহপুৰ চিক্ৰিৰ কেঁচা প্লাষ্টাৰত অংকিত চিত্ৰই সেই সময়ত প্ৰতিনিধিত্ব কৰা দেৱাল চিত্ৰ কলা অতুলনীয় হৈ আছে।

আকবৰৰ ৰাজসভাত বিদেশী চিত্ৰকৰৰ সংখ্যা নিচেই কম, তেওঁলোকৰ ভিতৰত বিখ্যাত হৈছে আব্দুছ চামাদ, ফাৰুক বেগ আৰু জামছেদ, আকবৰে হিন্দু শিল্পীৰ কৌশল আৰু শ্ৰেষ্ঠতাৰ প্ৰশংসা কৰিছিল। তেওঁলোকে আলেখ্য (Portraiture), কিতাপৰ ব্যাখ্যামূলক চিত্ৰ আৰু জীৱ-জন্তুৰ চিত্ৰৰ উন্নত প্ৰদৰ্শন দাঙি ধৰিছিল। তেওঁলোকৰ ভিতৰত বেছি বিখ্যাত আছিল দশৱন্ত, বচৱান, সানৱাল দাস, তাৰাচান্দ, লাল কেচু মুকুন্দ আৰু হৰিদাস, আকবৰে সচিত্ৰ কলাক উৎসাহিত কৰিছিল আৰু দক্ষতা সম্পন্ন চিত্ৰকৰক জাফৰ নামা, ৰামায়ণ, কালীয় দমন আৰু আয়াৰ দানিছৰ ছবিৰ সহায়ত ব্যাখ্যা কৰিবলৈ কামত লগাইছিল।

আকবৰৰ দিনত ক্ৰমবিকাশ হোৱা চিত্ৰৰ তেওঁৰ উত্তৰাধিকাৰী জাহাংগীৰৰ শাসন কালত উৎসাহজনক পৃষ্ঠপোষকতাৰ বাবে উন্নতি হৈছিল। তেওঁ এজন অতি উত্তম বিচক্ষণ ব্যক্তি আৰু ঐতিহাসিক চিত্ৰৰ ব্যগ্ৰ সংগ্ৰাহক আছিল। মোগল চিত্ৰশিল্পই জাহাংগীৰৰ অধীনত শীৰ্ষত আৰোহণ কৰিছিল বুলি ক'ব পাৰি। প্ৰাকৃতিক দৃশ্য, বিশেষকৈ চিকাৰৰ দৃশ্য আৰু প্ৰতিচ্ছবি জাহাংগীৰৰ চিত্ৰকৰ সকলৰ বিষয়বস্তু আছিল। গছ, লতা,ফুল, জীৱ-জন্তু চৰাই আৰু অন্য বহুতো প্ৰাকৃতিক বস্তুৰ চিত্ৰ উন্নতিৰ উচ্চ শিখৰত উপনীত হৈছিল। সেই সময়ত ভাৰতত প্ৰৱেশ কৰা পশ্চিমীয়া চিত্ৰকলাৰ ধাৰাক সঘনাই নকল কৰা হৈছিল।

যিহেতু ছাহজাহান চিত্ৰকলাতকৈ স্থাপত্যবিদ্যাৰ প্ৰতি বেছি আগ্ৰহী আছিল তেওঁৰ ৰাজত্বকালত চিত্ৰকলাৰ প্ৰথম অৱনতি দৃষ্টিগোচৰ হৈছিল। গতিকে, ছাহজাহানৰ সময়ৰ চিত্ৰৰ

মৌলিকতা, সজীৱতা আৰু শক্তি নাছিল। পৰিমাণ অব্যাহত আছিল যদিও বৈশিষ্ট্য নিম্নমানৰ আছিল। চিত্রকৰসকলে তেওঁলোকৰ চিত্রকলা ৰাজকীয় সুন্দৰতা, ৰাজসভা, বিলাসীতাপূর্ণ অভিজাত সকলৰ ৰাজপ্রাসাদৰ জীৱন, তেওঁলোকৰ মূল্যৱান অলংকাৰ আৰু পোচাকত সীমাবদ্ধ আছিল। গতিকে, এই চিত্রসমূহ বিস্তৃতভাৱে অলংকাৰিক আছিল। জাহাংগীৰৰ অধীনত চিত্রকলাত সংগতিপূর্ণ ৰঙৰ সংমিশ্রণ আছিল কিন্তু ছাহজাহানৰ সময়ত চিত্রত চহকী আৰু বিলাসীতাৰ অনুভূতি বৃদ্ধি পাইছিল আৰু ৰাজসভাৰ প্রতিকৃতি আৰু ছবিৰ বৈশিষ্ট্য আছিল আড়ম্বৰপূর্ণ ৰং আৰু অত্যাধিক পৰিমাণৰ সোণৰ বিভিন্ন চানেকি, যাৰ উজ্জ্বল প্রভাৱক সোণ ঘঁহি চিকচিকীয়া কৰি বৃদ্ধি কৰা হৈছিল। প্রতিকৃতি ছাহজাহানৰ ৰাজত্বকালৰ স্বকীয় বৈশিষ্ট্য হিচাপে গণ্য কৰিব পাৰি। কিন্তু তেওঁ মোগল চিত্রশিল্পৰ ৰাজসভাৰ পৃষ্ঠপোষকতা উঠাই লৈছিল। গতিকে, চিত্রকৰসকলে ৰাজকুমাৰ আৰু অভিজাত সকলৰ অধীনত কর্মসংস্থাপন বিচাৰিবলৈ বাধ্য হৈছিল আৰু বজাৰ অঞ্চলত তেওঁলোকৰ চিত্রৰ প্রদর্শনী আৰু বিক্রী কৰি জীৱিকা অর্জন কৰিবলৈ চিত্রশালা প্রতিস্থা কৰিছিল। যি কি নহওঁক দাৰা চিকেহ এজন মহান কলাপ্রেমী আৰু উদাৰ পৃষ্ঠপোষক আছিল, কিন্তু তেওঁৰ অকাল মৃত্যুৱে চিত্রকলাৰ বিপর্যয় মাতিছিল। ছাহজাহানৰ সময়ৰ বিখ্যাত চিত্রকৰ সকল আছিল মীৰ হাচিম, অনুপচিত্র আৰু চিত্রমণ্ট।

মোগল ত্রিকলাত ঔৰংজেৱে শেষ আঘাত হানিছিল যিহেতু তেওঁ সকলো পৃষ্ঠপোষকতা বন্ধ কৰিছিল। এইটো কোৱা হয় যে তেওঁ বিজাপুৰৰ আৰাৰ মহলৰ চিত্র নষ্ট কৰিছিল আৰু চিকন্দৰৰ আকবৰৰ সুশোভন কীর্তিস্তম্ভৰ মূর্ত্তিত বগা ৰং সানিছিল। যি কি নহওক, তেওঁৰ ৰাজত্বকালত চিত্রকলা সম্পূর্ণৰূপে নাইকিয়া হোৱা নাছিল যি তেওঁৰ যুদ্ধ আৰু অৱৰোধৰ চিত্রত দেখা যায়। তেওঁৰ পুত্র মহম্মদ চুলতানৰ প্রতিকৃতিৰ পর্যবেক্ষণ কৰিছিল। মোগল সাম্রাজ্যৰ পতনৰ পাছত কিছুমান মোগল চিত্রকৰ অৱধ, হায়দৰাবাদ, মহিশূৰ আৰু বেংগল আদি প্রাদেশিক ৰাজ্যলৈ প্রব্রজন কৰিছিল। তেওঁলোকে তাত তেওঁলোকৰ পুৰণা পৰম্পৰা চলাই গৈছিল। বহুতো চিত্রকৰে ইউৰোপীয় বণিক আৰু চাকৰিয়ালৰ ধাউতিৰ লগত খাপ খুৱাবলৈ তৎক্ষণাত ইউৰোপীয় শৈলী গ্রহণ কৰিছিল।

মোগল চিত্রকলাৰ প্রধান বৈশিষ্ট্যসমূহ ঃ

- মোগল চিত্রসমূহ আকাৰত সৰু আছিল। সেয়েহে, মোগল চিত্রসমূহক অতি ক্ষুদ্র চিত্র হিচাপে জনা যায়।
- মোগল চিত্রসমূহৰ বিষয়বস্তু আছিল প্রধানকৈ প্রকৃত জীৱনৰ পৰা - চিকাৰ, যুঁজ, যুদ্ধ আৰু অৱৰোধ, ৰাজসভা, ঐতিহাসিক ঘটনা, হিন্দুসকলৰ উপাখ্যানৰ কাহিনী, প্রকৃতিৰ বিভিন্ন বস্তু যেনে চৰাই, গছ, ফুল ইত্যাদি।
- মোগল শৈলীয়ে ভাৰতীয় অনুভূতি আৰু দৃশ্য কোনোটোকেই প্রতিফলিত কৰা নাছিল। মোগলৰ অধীনত চিত্রকলা জনসাধাৰণৰ লগত গভীৰভাৱে জড়িত হোৱা নাছিল। ই আনন্দ দিছিল। ই আছিল এক ৰাজকীয় আৰু অভিজাত কলা, কিন্তু

প্রজা সাধাৰণৰ আবেগৰ পৰা আঁতৰত।

- প্রকৃতিৰ আগ্রহী প্রশংসা মোগল চিত্রকৰসকলৰ উল্লেখযোগ্য বৈশিষ্ট্য আছিল আৰু ইয়াক ৰাজসভাই বিশেষকৈ জাহাংগীৰে উৎসাহিত কৰিছিল।
- মোগল শাসক আৰু তেওঁলোকৰ অভিজাতবর্গই প্রতিচ্ছবিৰ চিত্রক উৎসাহিত কৰিছিল আৰু মোগল চিত্রকৰ সকলে আলেখ্যৰ ক্ষেত্রত উল্লেখযোগ্য প্রাকৃতিক প্রতিভা প্রকাশ কৰিছিল। মোগল প্রতিচ্ছবিৰ চিত্র ইয়াৰ চহকী ৰঙৰ সমাহাৰ, সহানুভূতিশীল আলংকাৰীক আচৰণ পদ্ধতি আৰু প্রকৃত বৈশিষ্ট্যৰ অৱনতিৰ কাৰণে উল্লেখনীয়।

১৩.৬.১ ৰাজস্থানী শৈলী

ৰাজপুত ৰাজপৰিয়ালৰ মধ্যযুগৰ ৰাজপ্রাসাদত কেঁচা প্লাষ্টাৰত অংকিত চিত্রৰ চিহ্নই দেশীয় চিত্রশিল্প বর্তি থকাৰ কথাকে সূচায়। পাৰ্চীয়ান আৰু মাগল শৈলীৰ লগত থকা সংযোগে ইয়াক শক্তিশালী ৰূপত বিকশিত হোৱাত সহায় কৰিছিল আৰু ইয়াৰ এক আমোদজনক পুনর্জীৱন হৈছিল। পুনৰোজ্জিৱীত হিন্দুত্ববাদ, ভক্তি ধর্ম, মন্দিৰ শোভাযাত্রাৰ নাটকীয় প্রকৃতি, চিত্র নির্মাণৰ উপযুক্ততা, ধর্মীয় ৰীতি আৰু উপ্যাখ্যানৰ সাহিত্য আগ্রহে ই পুনৰোজ্জিৱীত হোৱাত বেছি সহায় কৰিছিল। ই ৰাজস্থান আৰু মধ্যভাৰতৰ ৰজাসকলৰ ৰাজসভাত উন্নতি লভিছিল।

জয়পুৰ ইয়াৰ বিখ্যাত কেন্দ্র হৈ পৰিছিল। ইয়াক ৰাজপুত শিল্পকলা হিচাপে জনা যায়। ই ১৬ শ শতিকাৰ দ্বিতীয় ভাগত বিখ্যাত হৈ উঠিছিল। কিছুসংখ্যক ৰাজপুত চিত্রকৰে হিমালয়ৰ ৰাজ্যসমূহৰ পৃষ্ঠপোষকতা লাভ কৰিছিল আৰু সেয়ে ৰাজপুত চিত্র শিল্পৰ এটা শাখাই ১৮ শ আৰু ১৯ শ শতিকাত পাঞ্জাৱ-হিমালয় অঞ্চলত উন্নতি লভিছিল। কিছুমানে ইয়াক কাংৰা চিত্রকলা-আখ্যা দিছে যিহেতু কাংৰাই হিমালয়ৰ ৰাজ্য সমূহৰ নেতৃত্ব দিছিল, আন কিছুমানে ইয়াক পাহাৰী বা পর্বতৰ ৰূপাংকন কৰিছে। ৰাজপুত চিত্রসমূহ সুশোভিত বাবে আৰু পাহাৰী চিত্রসমূহ আৰেগৰ প্রদর্শনৰ বাবে উল্লেখনীয়।

বিচিত্র অংকন পদ্ধতিৰে আখৰ লিখা কলা

বিচিত্র অংকন পদ্ধতিৰে আখৰ লিখা কলা আছিল একমাত্র কলা যাক চৰম গোড়া মুছলমান সকলে অনুমতি দিছিল। ইয়াক মছজিদ সুশোভিত কৰা, বেৰত আৰু খিৰীকিৰ ৰেকাৰে অংকিত জটিল চানেকিত ব্যৱহাৰ কৰা হৈছিল। আইন-ই-আকবৰীয়ে আকবৰৰ ৰাজসভাৰ বিখ্যাত লেখৰ এখন তালিকা আমাক যোগান ধৰিছে। তেওঁলোকৰ ভিতৰত আটাইতকৈ বিখ্যাত আৰু বিশিষ্ট হৈছে কাশ্মীৰৰ মহম্মদ হুচেইন।

১৩.৭ সংগীত

ঔৰংজেৱৰ বাহিৰে, সকলো মোগল সম্ৰাটে সংগীত ভাল পাইছিল আৰু ইয়াক সম্ভৱপৰ সকলো উৎসাহ যোগাইছিল। ভাৰতত মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠাপক বাবৰ এজন মহান সংগীতপ্ৰেমী আছিল। তেওঁ বহুতো গান ৰচনা আৰু দীঘল ৰচনা লিখিছিল বুলি কোৱা হয়। কিন্তু এইসমূহ তেওঁৰ মৃত্যুৰ পাছত বেছিদিন বৰ্তি নাথাকিল। হুমায়ুনে সংগীতজ্ঞ আৰু গায়কৰ সংগ ভাল পাইছিল আৰু তেওঁলোকৰ ভালেমানক পৃষ্ঠপোষকতা আগবঢ়াইছিল।

আকবৰ সংগীতৰ মহান পৃষ্ঠপোষক আছিল। আকবৰৰ ৰাজসভাত হিন্দু, ইৰাণী, তুৰ্কী, কাশ্মিৰী সংগীতজ্ঞ আছিল। ৰাজসভাৰ সংগীতজ্ঞ সকলক সাতটা ভাগত ভাগ কৰি এটাক সপ্তাহৰ এদিনৰ কাৰণে শৃংখলাবদ্ধ কৰা হৈছিল। আকবৰ নিজেও ইয়াৰ ওপৰত যথেষ্ট গুণৰ অধিকাৰী আছিল।

আবুল ফজলে আকবৰৰ ৰাজসভাত সমাদৰ লাভ কৰা ৩৬ জন গায়ক আৰু বাদ্যযন্ত্ৰীৰ তালিকা আমাক প্ৰদান কৰিছে। আকবৰে এই সংগীতজ্ঞ সাতটা দলত ভাগ কৰি এটা দলক এটা দিন অৰ্পণ কৰি তেওঁলোকৰ সংগীত শুনিছিল। আকবৰৰ ৰাজসভাৰ আটাইতকৈ বিশিষ্ট সংগীতজ্ঞ আছিল মিঞা তানসেন। তেওঁ সংগীত জগতক কান্নড়া, মিঞা কী সাৰংগ আৰু মিঞা কী মলহৰ ইত্যাদি। আকবৰৰ দিনত উন্নতি লাভ কৰা আন এজন বিখ্যাত সংগীতজ্ঞ আছিল স্বামী হৰি দাস। স্বামী হৰি দাসৰ অন্যান্য গুৰুত্বপূৰ্ণ শিষ্যসকল হৈছে গোপাল, ৰাম দাস, দিবাকৰ, সোমনাথ, তনু মেকহিৰ, ৰাজা সুৰসেন আৰু তানসেন।

আন এজন গুৰুত্বপূৰ্ণ সংগীতজ্ঞ আছিল পুণ্ডৰিকা ভিট্টাল যি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ সংগীতৰ ওপৰত সদ্ৰাগ চন্দ্ৰ দয বংগমালা, ৰংগময়ী আৰু নৰ্তনানির্ণয়, নামৰ চাৰিখন বিশিষ্ট গ্ৰন্থ ৰচনা কৰিছিল। আকবৰৰ সময়ত সংগীতৰ ওপৰত ৰচিত ভালেমান সংস্কৃত কিতাপ পাৰ্চী ভাষালৈ অনুবাদ কৰা হৈছিল। জাহাংগীৰৰ ৰাজসভাৰ কেইজনমান বিশিষ্ট সংগীতজ্ঞ হৈছে পৰ্বৰ দাদ, খুৰাম দাদ, হামজান আৰু চতুৰ খান। ছাহজাহানো সংগীতৰ এজন মহান পৃষ্ঠপোষক আছিল। ছাহজাহানৰ ৰাজসভাত যথেষ্ট সংখ্যক গায়ক আৰু সংগীতজ্ঞই সমাদৰ লাভ কৰিছিল। তেওঁলোকৰ ভিতৰত বিখ্যাত সকল হৈছে জগন্নাথ, ৰাম দাস, মহাপাত্ৰ, সুখসেন, সুৰ সেন, দাৰগ খান, লাল খান আৰু মির্জা জুলগাৰুৰেন ইত্যাদি।

ঔৰংজেৱে সকলো সুকুমাৰ কলাৰ বিৰোধিতা কৰিছিল। তেওঁ সেয়ে সংগীতজ্ঞ সকলক ৰাজকীয় পৃষ্ঠপোষকতাৰ পৰা বঞ্চিত কৰিছিল। ঔৰংজেৱৰ এই প্ৰচেষ্টাৰ স্বত্বেও অভিজাত আৰু হিন্দু ৰজাসকলে সংগীতৰ নিয়মীয়া পৃষ্ঠপোষকতা আগবঢ়াইছিল। এইসময়ত সৃষ্ট হিন্দুস্থানী সঙ্গীত বিষয়ত কিছুমান অতি উত্তম কৰ্ম হৈছে আহোবালাৰ চৰিত পাৰিজাত আৰু হাৰদেয়-কৌতুক আৰু হাৰদেয় প্ৰভাসৰ ৰচিত তিনিখন কৰ্মৰাজি হ'ল অনুপ বিলাস, অনুপম কুশ আৰু অনুপম ৰত্নাকৰ। ঔৰংজেৱৰ উত্তৰাধিকাৰী সকল মহান কলাৰ নিয়মীয়া উন্নতি সাধন হৈছিল। মোগল যুগত ব্যৱহৃত প্ৰধান বাদ্যযন্ত্ৰ আছিল ৰুদ্ৰ বীণা। যি কি নহওক মোগল সকলৰ প্ৰভাৱত

নতুন বাদ্যযন্ত্ৰৰ যেনে চিতাৰ আৰু তাবলাৰ আবিৰ্ভাৰ হৈছিল যাক আজিকালি বহুলভাৱে ব্যৱহাৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ কোনে জেৰিণ-কালাম উপাধি গ্ৰহণ কৰিছিল?

_____

প্ৰশ্ন ৬ ঃ পুণ্ডৰিক ভিট্টাল কোন আছিল?

_____

প্ৰশ্ন ৭ ঃ ছাহজাহানৰ শাসনকালত উন্নতি লাভ কৰা দুজন বিখ্যাত সংগীতজ্ঞৰ নাম লিখক।

_____



চিত্ৰ ১ ঃ চেলিম চিষ্টিৰ সমাধি



চিত্ৰ ২ ঃ ৰাধা আৰু কৃষ্ণ
ৰাজপুত চিত্ৰশৈলী



চিত্ৰ ৩ ঃ তাজমহল



চিত্ৰ ৪ ঃ ফাটেহপুৰ চিকৰি পঞ্চমহল

উৎস ঃ Google images



১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- মোগলৰ অধীনত ধর্মনিৰপেক্ষ ধর্মীয় ইত্যাদি সাহিত্য, বিশেষকৈ পাৰ্চী সাহিত্যৰ চকুত লগা বিকাশ হৈছিল। যি কি নহওক অন্যান্য ভাষাৰ সাহিত্যইও পৃষ্ঠপোষকতা লাভ কৰিছিল।
- মোগল সম্ৰাট সকলৰ কেইজনমানৰ বাহিৰে কলা, সংগীত আৰু চিত্রকলাৰ পৃষ্ঠপোষকতা আগবঢ়াইছিল। ঔৰংজেৱৰ দৰে সম্ৰাটে সংগীতৰ সমাদৰ কৰা নাছিল।
- ভাস্কর্য, চিত্র অংকন পদ্ধতিৰে আখৰ লিখা কলাও মোগল শাসন কালত বর্তি আছিল।



১৩.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Chandra, Satish. (2011). *A History of Medieval India.* New Delhi, India : Orient Blackswan.
2. Choudhuri, K.C. (2016). *History of Medieval India.* Kolkata, India : New Central Book Agency.
3. Farooqui, Salma Ahmed. (2011). *A Comprehensive History of Medieval India.* New Delhi, India : Pearson.
4. Maitri, Provatansu (2014) : *Medieval India.* Kolkata, India : Sreedhar Publishers.



১৩.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ফখৰ-ই-মুদাব্বিৰ।

২ নং প্রশ্নৰ উত্তৰ ঃ তাজমহলৰ স্থাপত্যবিদ।

৩ নং প্রশ্নৰ উত্তৰ ঃ বিহাৰৰ চাচাৰামত।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰঘূনাথৰ ৰাজসভাৰ কবি।

৫ নং প্রশ্নৰ উত্তৰ ঃ মহম্মদ হুচেইন।

৬ নং প্রশ্নৰ উত্তৰ ঃ সংগীতজ্ঞ।

৭ নং প্রশ্নৰ উত্তৰ ঃ মীৰ হাচিম, অনুপচিত্র আৰু চিত্রমন্ত।



১৩.১১ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ স্বামী হৰি দাস কোন আছিল?

প্ৰশ্ন ২ ঃ চিয়াৰ-উল-আৰিফান আৰু মিহৰ-উ-মাহৰ লিখকৰ নাম লিখক?

প্ৰশ্ন ৩ ঃ জাহাংগীৰৰ দিনৰ কেইজনমান সংগীতজ্ঞৰ নাম লিখক?

খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

চমুটোকা লিখক—

(১) ঃ মোগলৰ অধীনত বিচিত্ৰ অংকন পদ্ধতিৰে আখৰ লিখা কলা।

(২) ঃ সংগীত

(৩) ঃ মোগলৰ অধীনত স্থাপত্যৰ বিকাশ।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ মোগলৰ অধীনত সংস্কৃত সাহিত্যৰ বিকাশৰ সম্পৰ্কে ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ মোগল সম্ৰাট সকলৰ অধীনত চিত্ৰকলাৰ ক্ষেত্ৰত হোৱা প্ৰগতিৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ মোগল স্থাপত্যকলাত পাৰ্চিয়াৰ প্ৰভাৱৰ সম্পৰ্কে আলোচনা কৰক।

****